(ঙ) কবি হীৰেন ভট্টাচাৰ্য্যৰ কাব্যিক প্ৰতিভা সম্পৰ্কে চমু পৰিচয় দি, অসমীয়া কাব্য-সাহিত্যত তেওঁৰ স্থান সম্পৰ্কে আলোচনা কৰা।

(চ) আধুনিক কবিতা হিচাপে 'বিপ্লৱী' কবিতাটিৰ এটি আলোচনা দাঙি ধৰা।

★★★





# 2019

## ASSAMESE

### ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) শংকৰদেৱৰ জন্মস্থানৰ নাম কি, লিখা।

(খ) 'ব্ৰহ্মচাৰী' শব্দৰ অৰ্থ কি?

(গ) 'অগ্নি' কবি বুলিলে কোনগৰাকী কবিক বুজা যায়?

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যগ্ৰন্থ এখনৰ নাম লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল?

(চ) হীৰেন ভট্টাচাৰ্য্যৰ এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ছ) 'কদমকলি' কবিতাপুথিখনৰ ৰচক কোন?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) 'নামঘোষা' কাব্যগ্ৰন্থখনৰ ৰচক কোন? 'নামঘোষা'ৰ আন এটি নাম কি?

(খ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাৰ নাম কি? এই কবিতাটিৰ ৰচক কোন?

(গ) 'মালতী' কবিতাটি কি গীতৰ আৰ্হিত ৰচিত? কবিতাটিৰ ৰচক কোন?

(ঘ) 'গঢ়া কৰি মোক ঝাড়ুদাৰ' বুলি কবিয়ে কাক ঝাড়ুদাৰ কৰি গঢ়াৰ কথা কৈছে? কবিতাটিত উল্লেখ কৰা 'বিশ্বকৰ্মকাৰ' বুলি কাক কোৱা হৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক)
বিশ্বৰ জনসভাত
ৰুদ্ৰ আত্মৰতি মননশীলতাৰ অন্ধ
কাৰাগাৰ গঢ়ি
আমি নহওঁ 'নিসংগ সুদূৰ'।

(খ)
দেশে দেশে দেশ আছে।
এনে বহু দেশৰ অৰঙে-দৰঙে
মই ঘূৰিছোঁ। বহু বন্ধুৰ স'তে
হাতে-হাতে হাত ধৰি ফুৰিছোঁ।

(গ)
পৰ্বতৰ জীয়ৰী সুন্দৰী গৌৰীৰ
সাঁচত মোৰ মালতী নাই;
নুশুঙা ফুলটিৰ নুফুলা কলিটিত
মালতীৰ তুলনা পায়।





(ঘ)
আপোন নিচিনি ভাৰত-সন্তানে
বিচাৰে আজি কাৰ পৰিচয়?
হায় কলি কালে কিহত পেলালে
ভাৰতৰ আজি কিনো দুঃসময়।

(ঙ)
ৰজনী বিদূৰ-দিশ ধৱলী বৰণ
তিমিৰ ফাড়িয়া বাজ ৰবিৰ কিৰণ।

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ১০×৩=৩০

(ক) মাধৱদেৱৰ সাহিত্যকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰি 'তেজৰে কমলাপতি' শীৰ্ষক বৰগীতটিৰ বিষয়বস্তু তোমাৰ ভাষাত লিখা।

(খ) 'শৰৎ বৰ্ণনা' কবিতাত শৰৎ কালৰ বৰ্ণনাটি নিজৰ ভাষাত লিখা।

(গ) 'পাহৰণি' কবিতাটিত কবি কমলাকান্ত ভট্টাচাৰ্যই তেওঁৰ আশাবাদী মনোভাব কিদৰে ফুটাই তুলিছে, আলোচনা কৰা।

(ঘ) ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহ বৰ্ণনা কৰি 'নিয়ৰ' কবিতাটিত সেই লক্ষণসমূহ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।